
স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-15 NO-286 MONDAY 22 DECEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION)



### নতুন শিক্ষানীতিয়ে আমূল পৰিৱৰ্তনৰ সূচনা কৰিছে ঃ ড° মুকুট হাজৰিকা

# কানৈ মহাবিদ্যালয়ত এদিনীয়া কৰ্মশালা

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২১ ডিচেম্বৰ ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত 'Beyond Teaching: Integrating Pedagogy, Syllabus Design and Assessment' শীৰ্ষক এক এদিনীয়া কৰ্মশালা আজি সম্পন্ন হয়। ইংৰাজী বিভাগৰ অধ্যাপিকা ড° হানিফা ৰহমানে আঁত ধৰা অনুষ্ঠানটিত সভাপতিত্ব কৰে কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীয়ে। এদিনীয়া কৰ্মশালাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে কানৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈয়ে। উদ্দেশ্য ব্যাখ্যাৰ প্ৰসংগত ড° গগৈয়ে কৰ্মশালাখনৰ অংশগ্ৰহণকাৰীসকলৰ আগত কানৈ মহাবিদ্যালয়ে স্বতন্ত্ৰ মহাবিদ্যালয়ৰ মৰ্যাদা লাভ কৰাৰ পৰৱৰ্তী সময়ত 'এফৱাইইউজিপি' পদ্ধতিৰ প্ৰথম ষাণ্মাসিকত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক বৰ্ষৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনে পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ ক্ষেত্ৰত হোৱা অভিজ্ঞতাৰ কথা অৱগত কৰে। যাৰ বাবে এই কৰ্মশালাখনৰ প্ৰয়োজন উপলব্ধি কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ পৰামৰ্শ আৰু দিশ নিৰ্দেশনাৰ জৰিয়তে আজি অনুষ্ঠিত কৰা এই কৰ্মশালাখনে সকলোকে উপকৃত কৰিব বুলি তেওঁ মত প্ৰকাশ কৰে। কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীয়ে তেওঁৰ উদ্বোধনী

১১ পৃষ্ঠাত

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

☐ VOL-15 ☐ NO-286 ☐ MONDAY 22 DECEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBR

## কানৈ মহাবিদ্যালয়ত এদিনীয়া

ভাষণ প্ৰসংগত ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ আৰম্ভণিৰ লগে লগে শৈক্ষিক ক্ষেত্ৰখনত দেখা দিয়া পৰিৱৰ্তনসমূহক কেন্দ্ৰ কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলে নতুন পাঠ্যক্ৰম তথা নতুন শিক্ষা ব্যৱস্থাৰ লগত নিজকে একাত্ম কৰিবলৈ বহুতো নতুন বিষয়ত অধ্যয়ন কৰাৰ লগতে পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ লগতো সকলোৱেই সহযোগিতা আগবঢ়োৱাটো প্ৰয়োজন হৈ পৰিছে বুলি মত পোষণ কৰে। অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ নেতৃত্বত কানৈ মহাবিদ্যালয়ে স্বতন্ত্ৰ মহাবিদ্যালয়ৰ মৰ্যাদা লাভ কৰাৰ লগে লগে নতুন পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ ক্ষেত্ৰত বিভিন্ন বিভাগৰ শিক্ষক তথা পৰিচালনা সমিতিৰ পৰামৰ্শ অনুসৰি এনেধৰণৰ এক কৰ্মশালাৰ আয়োজন কৰাৰ বাবে অধ্যক্ষক ধন্যবাদ জ্ঞাপন কৰে। লগতে তেওঁ মতপোষণ কৰে যে প্ৰয়োজন সাপেক্ষে এনেধৰণৰ কৰ্মশালা প্ৰতিটো ষাণ্মাসিকৰ আৰম্ভণিৰ সময়ছোৱাত কৰিব পাৰিলে শিক্ষক-শিক্ষয়িত্ৰীসকল অধিক উপকৃত হ'ব। উদ্বোধনী অনুষ্ঠানৰ লগে লগে কৰ্মশালাখনৰ প্ৰথমটো কাৰিকৰী সত্ৰৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক ড° অমৰ উপাধ্যায়ে 'Pedagogical Approach for Higher Education in the light of NEP-২০২০' শীৰ্ষক বিষয়ত বিশদভাৱে আলোকপাত কৰে। ড° উপাধ্যায়ে মত পোষণ কৰে যে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ আধাৰত বিশ্ববিদ্যালয় তথা মহাবিদ্যালয়সমূহক শৈক্ষিক ক্ষেত্ৰত স্বতন্ত্ৰতা প্ৰদান কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। কৰ্মশালাখনৰ দ্বিতীয়টো কাৰিকৰী সত্ৰৰ সমল ব্যক্তি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাধ্যাপক ড° মুকুট হাজৰিকাই 'Learning outcome based curriculum: PO, CO, LO and their maping' শীৰ্ষক বিষয়ত বিস্তাৰিত ৰূপত আলোকপাত কৰে। ড° হাজৰিকাই কিদৰে একোখন নতুন পাঠ্যক্ৰম প্ৰস্তুত কৰিব লাগে আৰু ইয়াৰ পূৰ্বে গ্ৰহণ কৰিবলগীয়া বিভিন্ন পদ্ধতি আৰু বিষয়বস্তুৰ ওপৰত আলোকপাত কৰি মত প্ৰকাশ কৰে যে পূৰ্বৰ শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তে ৰাষ্ট্ৰীয় নতুন শিক্ষানীতিয়ে শিক্ষকৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰীসকলৰ দৃষ্টিভংগীৰে কিদৰে সহজ আৰু উন্নত মানৰ শিক্ষা প্ৰদান কৰিব পাৰি, সেই ক্ষেত্ৰত এই শিক্ষানীতিয়ে আমূল পৰিৱৰ্তনৰ সূচনা কৰিছে বুলি মত পোষণ কৰে। সমান্তৰালভাৱে তেওঁ ভাষণ প্ৰসংগত প্ৰতিটো পাঠ্যক্ৰমৰ উদ্দেশ্য তথা ইয়াৰ ফলাফল কি ধৰণেৰে পাঠ্যক্ৰমৰ আৰম্ভণিতে সন্নিবিষ্ট কৰি ছাত্ৰ-ছাত্ৰীসকলক পূৰ্বে এক সম্যক অনুমান প্ৰদান কৰিব পাৰি, সেই বিষয়ে অৱগত কৰে। কৰ্মশালাখনৰ তৃতীয়টো কাৰিকৰী সত্ৰৰ সমল ব্যক্তি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাধ্যাপক ড° মানসী গগৈয়ে 'Developing a learning outcome based question paper' শীৰ্ষক বিষয়ৰ ওপৰত আলোকপাত কৰে। ড° গগৈয়ে তেওঁৰ ভাষণ প্ৰসংগত মত প্ৰকাশ কৰে যে প্ৰতিটো বিষয়ৰ প্ৰতিখন পাঠ্যক্ৰমে নিজৰ পৰিধি অনুসৰি পাঠ্যক্ৰমসমূহ প্ৰস্তুত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব পৰাকৈ কেনেকুৱা ধৰণৰ প্ৰশ্নকাকত প্ৰস্তুত কৰিব লাগে, তাৰ বৈজ্ঞানিক পদ্ধতিসমূহৰ বিষয়ে বিস্তাৰিত ৰূপত সকলোকে অৱগত কৰে। কাৰিকৰী সত্ৰখনৰ প্ৰতিটো বিষয়ে অতি মনোগ্ৰাহীভাৱে উপস্থাপন কৰাৰ লগতে অংশগ্ৰহণকাৰীসকলে সমল ব্যক্তিসকলৰ লগত এক মত বিনিময় কৰি তেওঁলোকৰ মনত থকা প্ৰশ্নসমূহৰ সমিধান বিচাৰি উলিয়ায়। কৰ্মশালাখনৰ সফল সমাপ্তিৰ পিছত শলাগ জ্ঞাপন কৰে নৃতত্ত্ব বিভাগৰ অধ্যাপিকা ড° নিতুমণি শইকীয়াই। কৰ্মশালাখনৰ উদ্বোধনী অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ পৰীক্ষাসমূহৰ নিয়ন্ত্ৰক ড° মৃদুল শৰ্মা, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকনকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে।

মানসিক চাপৰ প

ৰ ২৫ শিক্ষা

মোদীৰ 'পৰি



ভূমি পূজন

নকাল

হৈছে

সংস্থাপন ঃ ২০১৪ চনৰ

শৰ ২৫ কোটি জনতা

নামৰূপৰ অনু